সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



নৱম শ্ৰেণীৰ বাবে

অৰ্থনীতি বিজ্ঞান

পাঠ - ১

অৰ্থনীতিৰ মৌলিক বিষয়সমূহ

অংশ – ৫

দীপিমণি দত্ত

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অনুশীলনী

অতি চমু উত্তৰৰ প্ৰশ্ন —

১। অৰ্থনীতি শব্দটো কোনটো ভাষাৰ শব্দৰ পৰা অনা হৈছে?

উত্তৰ- অৰ্থনীতি শব্দটো গ্ৰীক ভাষাৰ পৰা অনা হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। অৰ্থনীতি শব্দটো কোনটো শব্দৰ পৰা লোৱা হৈছে?

ECONOMICS
|
Greek
|
Oikonomia

উত্তৰ- অৰ্থনীতি শব্দটো oikonomia শব্দৰ পৰা লোৱা হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। অৰ্থবিজ্ঞানৰ পিতৃস্বৰূপ কোন?

উত্তৰ- অৰ্থবিজ্ঞানৰ পিতৃস্বৰূপ হ'ল আদাম স্মিথ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। **অর্থবিজ্ঞানৰ সম্পদ ভিত্তিক সংজ্ঞাটো কোনে আগবঢ়াইছিল?**

উত্তৰ- আদাম স্মিথে অর্থবিজ্ঞানৰ সম্পদ ভিত্তিক সংজ্ঞাটো আগবঢ়াইছিল ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৫। অর্থবিজ্ঞানৰ কল্যাণ ভিত্তিক সংজ্ঞাটো কোনে আগবঢ়াইছিল?

উত্তৰ- আলফ্রেদ মার্ছেলে কল্যাণ ভিত্তিক সংজ্ঞাটো আগবঢ়াইছিল।

৬। অর্থবিজ্ঞানৰ দুষ্প্ৰাপ্যতাৰ সংজ্ঞাটো কোনে আগবঢ়াইছিল?

উত্তৰ- লায়'নেল ৰবিন্সে অর্থবিজ্ঞানৰ দুষ্প্ৰাপ্যতাৰ সংজ্ঞাটো আগবঢ়াইছিল ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। এডাম স্মিথে কোনখন গ্ৰন্থত আৰু কেতিয়া অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছিল?


উত্তৰ- এডাম স্মিথে ১৭৭৬ চনত An Enquiry into the Nature and Causes of the Wealth of Nations' গ্ৰন্থত অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। আলফ্রেড মার্ছেলে কোনখন গ্রন্থত আৰু কেতিয়া অর্থনীতিৰ সংজ্ঞা আগবঢ়াইছিল?

উত্তৰ- আলফ্রেড মার্ছেলে Principles of Economics' নামৰ গ্রন্থত ১৮৯০ অর্থনীতিৰ সংজ্ঞা আগবঢ়াইছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। **লায়'নেল ৰবিন্সে কোনখন গ্ৰন্থত আৰু কেতিয়া অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছিল?**

উত্তৰ- ১৯৩২ চনত লায়'নেল ৰবিন্সে 'An Essay on the nature and significance of Economic' গ্ৰন্থখনত অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১০। এডাম স্মিথৰ সংজ্ঞাটোক যক্ষৰ বাণী বুলি কোনে কৈছিল?

উত্তৰ- ৰ্কালাইন আৰু ৰাস্কিনে এডাম স্মিথৰ সংজ্ঞাটোক যক্ষৰ বাণী বুলি কৈছিল

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। দক্ষতাৰ ওপৰত গুৰুত্ব দি কোনে অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছে?

উত্তৰ- দক্ষতাৰ ওপৰত গুৰুত্ব দি ছেমুৱেলছন আৰু নৰ্দহাছে অৰ্থনীতিৰ সংজ্ঞা আগবঢ়াইছে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১২। কোনো বস্তুৰ মানুহৰ অভাৱ পূৰণ কৰিব পৰা ক্ষমতাক কি বুলি কোৱা হয়?

উত্তৰ- মানুহৰ অভাৱ পূৰণ কৰিব পৰা ক্ষমতাক উপযোগিতা বুলি কোৱা হয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। উৎপাদনৰ উৎপাদিত আহিলাক কি বুলি কোৱা হয়?

উত্তৰ- উৎপাদনৰ উৎপাদিত আহিলাক মূলধন বুলি কোৱা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৪। 'Micro' আৰু 'Macro' শব্দ দুটা কোন দুটা শব্দৰ পৰা লোৱা হৈছে?

উত্তৰ- 'Micro' আৰু 'Macro' শব্দ দুটা গ্ৰীক শব্দ Mikros আৰু Makros ৰ পৰা আহিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

চমু উত্তৰৰ প্ৰশ্ন —

১। এডাম স্মিথৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো লিখা।

উত্তৰ- এডাম স্মিথৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো হ'ল- মানৱ জাতিৰ সম্পদ আহৰণে হ'ল জীৱনৰ মূল লক্ষ্য, সেয়েহে তেওঁৰ সংজ্ঞাটোক সম্পদ ভিত্তিক সংজ্ঞা বুলি অভিহিত কৰা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। মার্ছেলৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো লিখা।

পার্থিব কল্যাণৰ

উত্তৰ- মার্ছেলৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো হ'ল মানৱ জাতিৰ দৈনন্দিন জীৱনৰ কার্যাবলী অধ্যয়নেই হেছে অৰ্থনীতি'। ই ব্যক্তিগত আৰু সামাজিক কার্যাৱলীৰ সেই অংশটো অধ্যয়ন কৰে, যিটো অংশ পার্থিৱ কল্যাণ সাধন আৰু ইয়াৰ ব্যৱহাৰৰ সৈতে ঘনিষ্ঠভাবে জড়িত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ৰবিন্সৰ অর্থবিজ্ঞানৰ সংজ্ঞাটো লিখা।

উত্তৰ- 'যি বিজ্ঞানে মানুহৰ আচৰণক মানুহৰ অপৰিসীম আশা (লক্ষ্য) আৰু ইয়াৰ বিপৰীতে বিকল্পভাৱে ব্যৱহাৰ কৰিবলগীয়া সীমিত সম্পদৰ (উপায়) মাজৰ সম্পর্ক হিচাপে অধ্যয়ন কৰে সিয়েই অর্থনীতি'

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ছেমুৱেলছন আৰু নৰ্দহাছৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো লিখা।

উত্তৰ- ছেমুৱেলছন আৰু নৰ্দহাছৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটো হ'ল 'দুষ্প্ৰাপ্যতাৰ বাস্তৱিকতা স্বীকাৰ কৰি লৈ সম্পদৰাজিৰ সৰ্বোত্তম দক্ষতাপূৰ্ণ ব্যৱহাৰৰ বাবে সমাজ গঠন কৰাটোৱেই হ'ল অৰ্থনীতিৰ মূল বিষয়।'

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। ৰবিন্সৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটোৰ মৌলিক ধাৰণা কেইটা কি কি?

উত্তৰ- ৰবিন্সৰ অৰ্থবিজ্ঞানৰ সংজ্ঞাটোৰ মৌলিক ধাৰণা কেইটা হ'ল –

১. মানুহৰ অভাৱ অসীম

২. অভাৱ পূৰণৰ উপায় বা আহিলাসমূহ সীমিত

৩. সীমিত সম্পদসমূহ বিকল্প ব্যৱহাৰযোগ্য

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

Micro

৬। ব্যষ্টিবাদী অর্থবিজ্ঞান কাক বোলে?

উত্তৰ- ব্যষ্টিবাদী অর্থবিজ্ঞান হ'ল এনে এক অর্থবিজ্ঞান যি ব্যক্তি বা ব্যক্তিগত প্রতিষ্ঠানৰ অর্থনৈতিক আচৰণ সমূহ গাইগুটীয়াকৈ অধ্যয়ন কৰে । যেনে – এজন উপভোক্তা অথবা এজন উদ্যোক্তাৰ অর্থনৈতিক আচৰণ ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। সমষ্টিবাদী অর্থবিজ্ঞান কাক বোলে?

Macro Economics

উত্তৰ- সমষ্টিবাদী অর্থবিজ্ঞান হ'ল এনে এক অর্থবিজ্ঞান যি এখন দেশৰ অর্থনীতিৰ সকলোবোৰ উপভোক্তা অথবা উদ্যোক্তাৰ অর্থনৈতিক আচৰণ সমূহ সামগ্রীকভাৱে অধ্যয়ন কৰে । যেনে – এখন দেশৰ মুঠ জনসংখ্যা, নিয়োগ, কৃষি ইত্যাদি এনে অর্থবিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৮। আর্থিক বস্তু আৰু অনাআর্থিক বস্তুৰ পার্থক্য লিখা।

উত্তৰ- আর্থিক বস্তু আৰু অনাআর্থিক বস্তুৰ পার্থক্য সমূহ হ'ল -

আর্থিক বস্তু	অনাআর্থিক বস্তু
1. আর্থিক বস্তু প্রকৃতিৰ মুক্ত দান নহয়, মুদ্রাৰ মাধ্যমতহে এনে বস্তু লাভ কৰিব পাৰি ।	1. অনাআর্থিক বস্তু প্রকৃতিৰ মুক্ত দান যাক মুক্ত বস্তু বুলিব পাৰি।
2. আর্থিক বস্তু বোৰৰ যোগান চাহিদাতকৈ কম বা সীমিত।	2. অনাআর্থিক বস্তুৰ যোগান অসীম।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৯। ৰাষ্ট্ৰীয় আয় কাক বোলে?


উত্তৰ- এখন দেশৰ এটা নির্দিষ্ট বিত্তীয়বর্ষ (Financial Year)ত যি দ্রব্য বা সেৱা সামগ্রী উৎপাদন কৰা হয় তাৰ মুদ্রা মূল্যই হৈছে ৰাষ্ট্ৰীয় আয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১১। জনমূৰি আয়ৰ সূত্ৰটো লিখা

উত্তৰ- জনমূৰি আয়ৰ সূত্ৰটো হ'ল -



$$\text{জনমূৰি আয়} = \frac{\text{ৰাষ্ট্ৰীয় আয়}}{\text{দেশৰ মুঠ জনসংখ্যা}}$$

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —


১। অর্থবিজ্ঞান অধ্যয়নৰ প্রয়োজনীয়তা উদাহৰণ সহ ব্যাখ্যা কৰা।

উত্তৰ- অর্থবিজ্ঞান অধ্যয়নৰ প্রয়োজনীয়তা সমূহ তলত উল্লেখ কৰা হ'ল-

১. সুস্থ গণতন্ত্রত নাগৰিক চেতনাৰ বাবে অতি প্রয়োজনীয়। কৰদাতা নাগৰিকে চৰকাৰী ৰাজহ সংগ্রহ আৰু ব্যয়ৰ বিষয়ে বুজাবুজি বিচাৰে।

২. সমাজ সংগঠকসকলে দৰিদ্রতাৰ অৰ্থনৈতিক কাৰণসমূহ বুজিবলৈ বিচাৰে।

৩. গ্ৰাহকে সামগ্ৰীৰ মূল্য বৃদ্ধি বুজিব বিচাৰে। বিশ্বায়ন, ইয়াৰ গুণ আৰু অসুবিধাসমূহ বুজি পোৱা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২। **অর্থবিজ্ঞানৰ কোনটো সংজ্ঞা আটাইতকৈ বেছি গ্ৰহণযোগ্য আৰু কিয় ? ব্যাখ্যা কৰা ।**

Unlimited wants | limited Alternative Resources

উত্তৰ- লায়'নেল ৰবিন্সৰ অর্থবিজ্ঞানৰ সংজ্ঞাটো আটাইতকৈ বেছি গ্ৰহণযোগ্য। কাৰণ-

- মানুহৰ অভাৱ অসীম
- অভাৱ পূৰণৰ উপায় বা আহিলাসমূহ সীমিত
- সীমিত সম্পদসমূহ বিকল্প ব্যৱহাৰযোগ্য

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৩। অর্থবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে লিখা।

উত্তৰ- অর্থবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে তলত আলোচনা কৰা হ'ল –

১ **ভোগকার্যঃ-** মানুহৰ অভাৱ দূৰ কৰাৰ কার্যকলাপেই হৈছে ভোগ। ভোগকার্যৰ লগত জড়িত বিধিসমূহ, ভোক্তাৰ ভাৰসাম্য ইত্যাদি অধ্যয়ন অর্থনীতিৰ পৰিসৰৰ অন্তর্ভুক্ত।

২ **উৎপাদনঃ-** উপযোগী সামগ্রী অথবা সেৱাৰ সৃষ্টিয়েই হৈছে উৎপাদন।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উৎপাদনৰ চাৰিটা উপাদান- ভূমি, শ্ৰম, মূলধন আৰু সংগঠনৰ উপৰি উৎপাদনৰ বিধি, উৎপাদকৰ ভাৰসাম্য, আৰ্থিক ব্যৱস্থা ইত্যাদি সম্পৰ্কে অৰ্থবিজ্ঞানত আলোচনা কৰা হয়।

৩) বিতৰণঃ- সামগ্ৰীৰ উৎপাদন কাৰ্য সম্পাদন কৰাৰ পাছত ইয়াক উপভোক্তাৰ মাজত বিতৰণ কৰিলেহে ভোগকাৰ্য সম্ভৱ হৈ উঠিব। বিতৰণ প্ৰক্ৰিয়া যাতে সঠিক হয় তাৰ বাবে যিবোৰ নীতি বা তত্ত্ব অনুসৰণ কৰাৰ প্ৰয়োজন সেই

সকলোবোৰ তত্ত্ব 'বিতৰণ' বিষয়ৰ মাজত আলোচনা কৰা হয়।

৫ বিনিময়ঃ-কোনো ব্যক্তি বা অঞ্চল বা দেশে লাগতিয়াল প্ৰতিবিধ সামগ্ৰী নিজে উৎপাদন কৰি ল'ব নোৱাৰে। এনে ক্ষেত্ৰত ব্যক্তি, অঞ্চল আৰু দেশৰ মাজত বিনিময়ৰ আৱশ্যক হয়।সেয়েহে, আভ্যন্তৰীণ বাণিজ্য আৰু আন্তৰ্জাতিক বাণিজ্য জৰিয়তে দেশীয় আৰু আন্তৰ্জাতিক বিনিময় হয়।অৰ্থনীতিত এই দুয়ো প্ৰকাৰৰ বিনিময়ৰ বিষয়ে আলোচনা কৰা হয়।

জ্ঞান-বিন্দু মেলা